# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 01-10-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড০ এণ্ড্ৰিউ হ'লনেছৰ সৈতে বিশেষ আলোচনাত মিলিত হ'ব।

২। তিনিদিনীয়া ভ্ৰমণসূচীৰে অৰুণাচল প্ৰদেশত উপস্থিত হোৱা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ঝাৰখণ্ডত ৮৩ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ কেইবাটাও আঁচনিৰ আধাৰশিলা স্থাপন আৰু আন কেইবাখনো আঁচনি মুকলি কৰিব।

৪। জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছে। **আৰু**

৫। ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলত আজি অন্তিম দিনা বাংলাদেশে ২ উইকেট হেৰুৱাই সংগ্ৰহ কৰা ২৬ ৰানৰ পৰা নিজৰ খেল আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত জামাইকাৰ প্ৰধানমন্ত্ৰী ড০ এণ্ড্ৰিউ হ'লনেছৰ সৈতে বিশেষ আলোচনাত মিলিত হ'ব। দেশ দুখনৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰিবলৈ এই আলোচনাত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে জামাইকাৰ প্ৰধানমন্ত্ৰী ড০ এণ্ড্ৰিউ হ'লনেছৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ। এই ভ্ৰমণৰ সময়ত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰাৰ লগতে কেইবাগৰাকীও উদ্যোগপতিৰ সৈতে মত বিনিময় কৰিব। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ড০ এণ্ড্ৰিউ হ'লনেছে অহা ২ অক্টোবৰত বাৰাণসী ভ্ৰমণ কৰিব। আমাৰ সংবাদদাতাই জনোৱা মতে এই ভ্ৰমণৰ জৰিয়তে ভাৰত আৰু জামাইকাই দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ অৰ্থনৈতিক সহযোগিতা আৰু উন্নয়নৰ মূল খণ্ডসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰিব। জামাইকাৰ উন্নয়নমূলক প্ৰকল্পসমূহত ইতিমধ্যে ভাৰতে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছে। ২০১৯ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা এক মিলিয়ন ডলাৰৰ অনুদানেৰে জামাইকাৰ কিটশ্বন টাউনত গ্ৰাম্য উন্নয়ন প্ৰকল্প ৰূপায়ণ কৰা হৈছে। এই পদক্ষেপে জামাইকাৰ বহনক্ষম উন্নয়নত সহায় কৰিছে। সমান্তৰালকৈ বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰতো দুয়োখন দেশৰ মাজৰ সহযোগিতা দিনক দিনে বৃদ্ধি হৈ আহিছে। ভাৰত আৰু জামাইকাৰ মাজৰ বাণিজ্যই ইতিমধে ৬ দশমিক ৬ কোটি মাৰ্কিন ডলাৰ অতিক্ৰম কৰিছে।

ooooo

তিনিদিনীয়া ভ্ৰমণসূচীৰে অৰুণাচল প্ৰদেশত উপস্থিত হোৱা কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। আজি তেওঁ দৰ্জী খাণ্ডু ৰাজ্যিক অধিৱেশন কক্ষত

এটা জনসম্পৰ্কৰক্ষা কাৰ্যসূচীত অংশ ল'ব। ইয়াৰ পাছতে তেওঁ নামছাই জিলাত ভাৰতীয় ষ্টেট বেংকৰ আঞ্চলিক ব্যৱসায় কাৰ্যালয় উদ্বোধন কৰিব।

উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে কালি অৰুণাচল প্ৰদেশৰ ইটানগৰত অৰুণাচল, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰাক সামৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৭টা আঞ্চলিক গ্ৰাম্য বেংকৰ কাম-কাজ পৰ্যালোচনা কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত আয়োজিত বৈঠকত আঞ্চলিক গ্ৰাম্য বেংক আৰু পৃষ্ঠপোষক বেংকসমূহৰ অধ্যক্ষসকল উপস্থিত থাকে। বৈঠকত বিত্তীয় সেৱা বিভাগৰ সচিব, অতিৰিক্ত সচিবৰ উপৰি আৰ বি আই, নাবাৰ্ড আদিৰ প্ৰতিনিধি তথা উত্তৰ-পূৰ্বৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত ডিজিটেল প্ৰযুক্তি সেৱা উন্নীতকৰণ, ব্যৱসায়িক উন্নয়ন আৰু গ্ৰামীণ অৰ্থনীতি বিকাশৰ ক্ষেত্ৰত আঞ্চলিক গ্ৰাম্য বেংকসমূহৰ ভূমিকা পালন সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে আঞ্চলিক গ্ৰাম্য বেংকসমূহক উদ্যান শস্য আৰু সংশ্লিষ্ট কৃষি কাৰ্যকলাপ, যেনে পশুপালন, দুগ্ধ উৎপাদন, মীন পালন আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ঋণ প্ৰদানৰ ক্ষেত্ৰত নিজৰ অংশীদাৰিত্ব বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ঝাৰখণ্ডত ৮৩ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ কেইবাটাও আঁচনিৰ আধাৰশিলা স্থাপন আৰু আন কেইবাখনো আঁচনি মুকলি কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে হাজাৰীবাগত ৭৯ হাজাৰ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ ধৰ্তি আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান মুকলি কৰিব। এই অভিযানৰ অধীনত সমগ্ৰ দেশৰ ৫৪৯ খন জিলা আৰু দুহেজাৰ ৭৪০ টা খণ্ডৰ ৬৩ হাজাৰৰো অধিক গাঁৱৰ ৫ কোটিৰো অধিক জনজাতীয় লোকক উপকৃত কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে দুহেজাৰ ৮০০ কোটিৰো অধিক ব্যয়সাপেক্ষ ৪০ খন একলব্য বিদ্যালয় মুকলি কৰাৰ লগতে ২৫ খন একলব্য বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে এহেজাৰ ৩৬০ কোটি টকাৰ প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহা অভিযানৰ অধীনত ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু মুকলি কৰিব। ইয়াৰ ভিতৰত পথ, অংগনৱাড়ী কেন্দ্ৰ, বহুমুখী কেন্দ্ৰ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নিবাস নিৰ্মাণ কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে পি এম জনমন আঁচনিৰ সাফল্যক উদযাপন কৰাৰ বাবে ৩ হাজাৰ গাঁৱৰ ৭৫ হাজাৰ ৮০০ৰো অধিক বিশেষকৈ, অতি পিচপৰা জনজাতীয় লোকৰ বাসগৃহত বৈদ্যুতিকৰণৰ আঁচনি মুকলি কৰিব।

০০০০০

জম্মু-কাশ্মীৰত আজি তৃতীয় তথা চূড়ান্ত পৰ্যায়ৰ বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছে। অন্তিম পৰ্যায়ৰ ভোটদানৰ বাবে ইতিমধ্যে সকলো ব্যৱস্থা সাজু কৰি তোলা হৈছে। ৭ খন জিলাৰ ৪০টা বিধানসভা সমষ্টিত শান্তিপূৰ্ণ ভোটগ্ৰহণৰ বাবে ব্যাপক নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হৈছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণ সমাপ্ত হ'ব। ভোটাৰৰ বাবে প্ৰতিটো ভোটকেন্দ্ৰত ন্যূনতম মৌলিক সুবিধা সুনিশ্চিত কৰা হৈছে আৰু ভোটকেন্দ্ৰসমূহত ২০ হাজাৰতকৈ অধিক প'লিং বিষয়া নিয়োগ কৰা হৈছে। কাশ্মীৰৰ সংমণ্ডলৰ বাৰামুল্লা, কুপৱাৰা, বাণ্ডিপুৰা আৰু জম্মু সংমণ্ডলৰ জম্মু, উধমপুৰ, কাঠুৱা আৰু ছাম্বা জিলাত ৬০টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই অন্তিম পৰ্যায়ত ৩৯ লাখৰো অধিক ভোটাৰে সৰ্বমুঠ ৪১৫ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মুজাফ্‌ফৰ হোছেইন বেইগ, বছাৰত বুখাৰী, ছাজাদ গানী ল'ন, নাছিৰ আছলাম ৱানী, দেবীন্দৰ সিং ৰাণা, চৌধুৰী লাল সিং আৰু ৰমন ভাল্লা আদি জ্যেষ্ঠ নেতাই আজি প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

উল্লেখযোগ্য যে ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৬১ দশমিক ৩-৮ শতাংশ ভোটদান হোৱাৰ বিপৰীতে ২৫ ছেপ্তেম্বৰত অনুষ্ঠিত দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচনত ৫৭ শতাংশ ভোটদান সম্পন্ন হৈছিল। হাৰিয়ানাৰ সৈতে অহা ৮ অক্টোবৰত জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰো ভোট গণনা সম্পন্ন হ'ব।

00000

নেপালৰ শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ২০৯ জনলৈ বৃদ্ধি হৈছে। নেপালৰ গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে জনোৱা মতে এই বানৰ ফলত ১৪২ জন লোক আহত হোৱাৰ উপৰি ২৯ জন লোক এতিয়াও নিৰুদ্দেশ হৈ আছে। ইতিমধ্যে উদ্ধাৰকাৰী বাহিনীয়ে ৪ হাজাৰ ৫০০ৰো অধিক লোকক প্ৰলয়ংকাৰী বানৰ পৰা উদ্ধাৰ কৰিছে। এই বানত অঞ্চলটোৰ পথ পৰিবহণ ব্যৱস্থা ব্যাপক ক্ষতিগ্ৰস্ত হৈছে। ১৬ খনলৈ দলং সম্পূৰ্ণৰূপে ভাঙি পৰাৰ উপৰি বিভিন্ন স্থানত ঘাইপথ বিচ্ছিন্ন হৈ পৰিছে। প্ৰশাসনে নেপালৰ ৰাজধানী কাঠমাণ্ডুৰ সৈতে সংযোগী পথসমূহ মেৰামতিৰ চেষ্টা অব্যাহত ৰাখিছে। মাকৱানপুৰত কেইবা ঠাইতো ভূমিস্খলন হৈ পথ যোগাযোগ সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। ভূমিস্খলনৰ ফলত বন্ধ হৈ পৰা পৃথ্বী ঘাইপথ প্ৰশাসনে কিছু পৰিমাণে মুকলি কৰাৰ ফলত সেই পথে যাতায়াত আৰম্ভ হৈছে।

00000

স্বাস্থ্য মন্ত্ৰালয়ে নিশ্চিত মৃত্যুৰ মুখে আগবঢ়া ৰোগীৰ পৰা জীৱন সহায়ক ব্যৱস্থাসমূহ প্ৰত্যাহাৰৰ বাবে খচৰা নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাত অন্তৰ্নিহিত ৰোগক এনে এক অপৰিৱৰ্তনীয় বা নিৰাময় কৰিব নোৱাৰা অৱস্থা হিচাপে গণ্য কৰা হৈছে, যত অদূৰ ভৱিষ্যতে ৰোগীগৰাকীৰ মৃত্যু অনিবাৰ্য। মগজুত গুৰুতৰ আঘাতপ্ৰাপ্ত ৰোগীৰ ৭২ ঘণ্টাৰ পিছতো কোনো ধৰণৰ আৰোগ্য নোহোৱা অৱস্থাক এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। চিকিৎসকসকলক কেইবাটাও কাৰকৰ ওপৰত ভিত্তি কৰি ইয়াৰ বিষয়ে বিবেচনাপূৰ্ণ সিদ্ধান্ত ল'বলৈ পৰামৰ্শ দিয়া হৈছে। জনসাধাৰণৰ মন্তব্যৰ বাবে প্ৰকাশ কৰা খচৰা নিৰ্দেশনাত মন্ত্ৰালয়ে গুৰুত্ব আৰোপ কৰিছে যে ইনটেনচিভ কেয়াৰ ইউনিট আই চি ইউত থকা এনেধৰণৰ প্ৰায়সংখ্যক ৰোগী মৃত্যুমুখত পৰে আৰু জীৱন ধাৰণকাৰী চিকিৎসা এল এছ টিৰ পৰাও লাভৱান নহয়। মন্ত্ৰালয়ে লগতে কৈছে যে এনে পৰিস্থিতিত এল এছ টি অলাভজনক আৰু ই ৰোগীগৰাকীৰ পৰিয়ালৰ চিকিৎসা ব্যয় বৃদ্ধি কৰে। সেয়েহে ইয়াক অনুচিত বুলি গণ্য কৰা হয়। এনে সিদ্ধান্তৰ চিকিৎসাজনিত, নৈতিক আৰু আইনী বিবেচনা থকাৰ লগতে কেইবাটাও ন্যায়িক অধিকাৰক্ষেত্ৰই এই চৰ্তসমূহক সমৰ্থন কৰিছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

00000

দিল্লী আৰক্ষীয়ে দিল্লীৰ তিনিখন জিলা আৰু সীমান্তৱৰ্তী অঞ্চলতসমূহত আইন-শৃংখলাৰ সমস্যাৰ উদ্ধৃতি দি শনিবাৰ পৰ্যন্ত যিকোনোধৰণৰ প্ৰতিবাদী কাৰ্যসূচী আৰু পাঁচজন বা তাতোকৈ অধিক অকৰ্তৃত্বশীল ব্যক্তিৰ সমাৱেশত নিষেধাজ্ঞা আৰোপ কৰিছে। কালিৰে পৰা বলবৎ হোৱা এই নিষেধাজ্ঞা ৫ অক্টোবৰলৈকে কাৰ্যকৰী হ'ব।

00000

ভাৰত আৰু বাংলাদেশৰ মাজত অনুষ্ঠিত হৈ থকা টেষ্ট শৃংখলাৰ দ্বিতীয়খন খেলত আজি অন্তিম দিনা বাংলাদেশে কালি ২ উইকেট ২৬ ৰান সংগ্ৰহ কৰি থকাৰ পৰা নিজৰ খেল আৰম্ভ কৰিব। কালি খেল সমাপ্তিৰ সময়ত বাংলাদেশৰ মমিনুল হক আৰু ছাদমান ইছলামে বেটিং কৰি আছিল। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে দুয়োটা উইকেট দখল কৰিছিল। ইয়াৰ পূৰ্বে ভাৰতে কালি ৯ উইকেট হেৰুৱাই ২৮৫ ৰান সংগ্ৰহ কৰাৰ পাছত প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰিছিল।

উল্লেখযোগ্য যে কালি ভাৰতীয় দলটোৱে টেষ্ট ক্ৰিকেটৰ ইতিহাসত দ্ৰুততম ৰান সংগ্ৰহৰ কেইবাটাও অভিলেখ স্থাপন কৰে। যশস্বী জয়ছোৱালে ৩১টা বলত ৫০ ৰান সংগ্ৰহ কৰে, যিটো ভাৰতীয় অপেনাৰৰ সৰ্বাধিক দ্ৰুততম অৰ্ধশতক।

০০০০০

ভূটানৰ থিম্ফুৰ চাংলিমিথাং ষ্টেডিয়ামত কালি ভাৰতে বাংলাদেশক ২-০ গ'লত পৰাস্ত কৰি এছ এ এফ এফৰ ১৭ বছৰ অনুৰ্ধ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰে। খেলখনৰ ৫৮ মিনিটত মহম্মদ কাইফে বিজয়ী গ'লটো দিয়ে। ষ্টপেজ টাইমৰ পঞ্চম মিনিটত নাজমুল হুদা ফয়ছালে শক্তিশালী ষ্ট্ৰাইকেৰে ভাৰতীয় দলটোৰ অগ্ৰগতি বৃদ্ধি কৰে।

০০০০০

সমাপ্ত